**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2025
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অৰুণাচলৰ আনজাওত সংঘটিত পথ দুৰ্ঘটনাত নিহত শ্ৰমিকসকলৰ নিকটাত্মীয়ক মুখ্যমন্ত্ৰীৰ ৫ লাখ টকাৰ এককালীন সাহায্যৰ চেক প্ৰদান।

২। মুখ্যমন্ত্ৰী উদ্যমিতা আচনিৰ অধীনত ডিব্ৰুগড়ত আজি ২৩ হাজাৰৰো অধিক মহিলাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ।

৩। নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান। *আৰু*

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰীক্ষা পে চৰ্চা** অনুষ্ঠানলৈ উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ ছাত্ৰী অৰ্পিতা দাসৰ বাছনি

ooooo

অৰুণাচল প্ৰদেশৰ আনজাওত সংঘটিত পথ দুৰ্ঘটনাত নিহত শ্ৰমিকসকলৰ নিকটাত্মীয়লৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াৰ গেলাপুখুৰীত দুৰ্ঘটনাত নিহত শ্ৰমিকসকলৰ পৰিয়ালক সাক্ষাৎ কৰি আনুষ্ঠানিকভাৱে ভুক্তভোগীৰ পৰিয়ালক চেক প্ৰদান কৰে। মৃতকসকলৰ নিকটাত্মীয়ক কেন্দ্ৰীয় চৰকাৰে ২ লাখ টকাৰ এককালীন অনুদান আগবঢ়াব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। দুৰ্ঘটনাত আহত ব্যক্তিগৰাকীৰ চিকিৎসাৰ বাবেও তেওঁ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা এক লাখ টকাৰ সাহায্য প্ৰদান কৰে। অৰুণাচললৈ চাহ শ্ৰমিকক কাম কৰিবলৈ লৈ যোৱাটো চিন্তনীয় বিষয় বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি হ'লেহে এই সমস্যাৰ অন্ত পৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাহ শ্ৰমিকৰ সুৰক্ষাৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে।

**বাইট (চি এম)**

oooooooo

ৰাজ্য চৰকাৰে মহিলাক সকলক কেৱল গৃহিনী হিচাপে গন্য কৰাৰ মানসিকতা দূৰ কৰি নতুন অসমৰ আত্মনিৰ্ভৰশীলতাৰ যাত্ৰা সহযাত্ৰী হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস চলাই আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী উদ্যমিতা আচনিৰ অধীনত আজি ডিব্ৰুগড়ৰ টিংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰি শ্ৰীশৰ্মাই এইদৰে কয়। তেওঁ গুজৰাট আৰু কৰ্ণটিককে ধৰি বহিঃ ৰাজ্যসমূহৰ উদাহৰণ দি অসমক স্বাৱলম্বী কৰি তোলাৰ

ক্ষেত্ৰত মহিলাসকলক অৱদান আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে মহিলাসকল পশুপালন, মীন উৎপাদন আদি খণ্ডৰ সৈতে জড়িত হ'লে ৰাজ্যৰ অৰ্থনীতি ক্ৰমাৎ শক্তিশালী হৈ উঠিব বুলি মন্তব্য কৰে।

একেটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মৰাণত ১২ কোটি ৩২ লাখ টকা ব্যয়েৰে নিৰ্মাণ হোৱা অভয়পুৰ গ্ৰাম্য ক্ৰীড়া চৌহদো উদ্বোধন কৰে। তেওঁ লগতে তৃতীয় পৰ্যায়ৰ অসম মালাৰ অধীনত ৩৬ কোটি ৯২ লাখ টকা ব্যয়ৰে মৰাণ-নিতাই পথৰ মৰাণ টাউন ক্লাবৰ পৰা গজপুৰীয়া লুকুমাৰী অংশৰ ৯ দশমিক ৩ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। একেদৰে মুখ্যমন্ত্ৰীয়ে ১৯ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষ টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ১৫ লাখ টকাৰে নিৰ্মাণ কৰিবলগীয়া মৰাণ থানা ভৱনৰ আধাৰশিলা স্থাপন কৰে।

ইপিনে, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি দোতমা বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আনুষ্ঠানিকভাৱে চেক প্ৰদান কৰে। এই উপলক্ষে বৰ্শীঝোৰাৰ উদাংশ্ৰী খেলপথাৰত আয়োজিত খেলপথাৰত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানলৈকে ৰাজ্যৰ ৫০ টাতকৈ অধিক বিধানসভা সমষ্টিত ২০ লাখতকৈ অধিক  সদস্যাক মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। তেওঁ লগতে অহা জানুৱাৰীৰ ভিতৰত ৰাজ্যৰ ৪০ লাখ মহিলাক ১০ লাখ টকাকৈ প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

oooooooo

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি দ্বিতীয় দিনাও প্ৰশাসনে উচ্ছেদ অভিযান চলায়। আজি ৰৌমাৰী বিল, মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি আৰু গেলেকনি বিলৰ ভূমি দখলমুক্ত কৰাৰ বাবে অভিযান চলোৱা হয়। এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হয়। এই অভিযান ১৯ আৰু ২০ ডিচেম্বৰতো চলিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে কালিৰে চলা এই উচ্ছেদ অভিযানত টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৱৰ অবৈধভাৱে পুখুৰী খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়।

oooooooo

উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ ছাত্ৰী অৰ্পিতা দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰীক্ষা পে চৰ্চা** অনুষ্ঠানলৈ বাছনি লাভ কৰিছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত গুৱাহাটীৰ নৌ পৰিবহন টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। পূৰ্বে দলগত শিতানত দুবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰা কৃতি শিক্ষাৰ্থীগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ বাবে ইতিমধ্যে প্ৰশ্ন সাজু কৰা বুলি প্ৰকাশ কৰিছে।

**ভইচ কাষ্ট (অৰ্পিতা দাস)**

oooooooo

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে আজি চিৰাং জিলাৰ উত্তৰ প্ৰান্তৰ নাঙলভাঙা নৈৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া আমগুৰি-ঔগুৰি সংযোগী দলঙৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ অসম মালা আঁচনিৰ অধীনত মুঠ ৬১ কোটি টকা ব্যয়েৰে এই দলংখন নিৰ্মাণ কৰা হ'ব। দলংখনৰ আধাৰশিলা স্থাপন

কৰি শ্ৰী মহিলাৰীয়ে বিপিএফ দলে বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিটিচি নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে পাৰ্যমানে চেষ্টা চলাব বুলি উল্লেখ কৰে। তেওঁ লগতে এমাহৰ ভিতৰত নাওলভাঙাতো এখন দলঙৰ আধাৰশিলা স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে। শ্ৰী মহিলাৰীয়ে অহা বছৰ আমগুৰি-খুংখ্ৰাঝৰা সংযোগী আন এখন দলঙৰ কাম কৰা হ'ব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত বিটিচিৰ নিচিমা সমষ্টিৰ পাৰিষদ জেম্‌চ বসুমটাৰীকে ধৰি বিপিএফৰ বহুকেইগৰাকী নেতা-কৰ্মীও উপস্থিত থাকে।

oooooooo

কাছাৰ জিলাৰ ছেছন আদালতে আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহৰ গোচৰত দোষী সাব্যস্ত হোৱা মণিপুৰৰ এগৰাকী মহিলাক এন ডি পি এছ আইনৰ অধীনত ১০ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছে। বিশেষ ন্যায়াধীশ বিপ্ৰজিৎ ৰায়ৰ বিচাৰপীঠে অভিযুক্ত মহিলাগৰাকীক এই শাস্তি বিহে। উল্লেখযোগ্য যে ২০২৪ চনৰ ১৯ মাৰ্চত অসম-মণিপুৰ সীমান্তত কাছাৰৰ লক্ষীপুৰৰ ফুলেৰতল ফেৰীঘাটৰ পৰা নিচাযুক্ত সামগ্ৰীসহ মহিলাগৰাকী গ্ৰেপ্তাৰ হৈছিল। তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত আৰক্ষীয়ে আদালতত মহিলাগৰাকীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। শুনানিৰ অন্তত আদালতে আজি মহিলাগৰাকীক দোষী সাব্যস্ত কৰি ১০ বছৰৰ কাৰাদণ্ডৰ লগতে ১ লাখ টকাৰ জৰিমনা বিহে।

oooooooo

বন বিভাগে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ দাঁতিকাষৰীয়া কৌপাতি চাহ বাগিছাত বিগত প্ৰায় ১০ দিন ধৰি আতংকৰ সৃষ্টি কৰা বাঘিনীজনীক পিঞ্জৰাবদ্ধ কৰিবলৈ সমৰ্থ হৈছে। মঙলদৈৰ বন্যপ্ৰাণী সংমণ্ডলৰ বিষয়া প্ৰদীপ্ত বৰুৱাই জনোৱা মতে পিঞ্জৰাবদ্ধ বাঘিনীজনীক প্ৰথমে গুৱাহাটীৰ চিৰিয়াখানালৈ অনা হ'ব আৰু স্বাস্থ্য পৰীক্ষাৰ অন্তত ৰাষ্ট্ৰীয় উদ্যানলৈ নিয়া হ'ব নে চিৰিয়াখানাতে ৰখা হ'ব সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। বাঘিনীজনীয়ে যোৱা ১০ দিন ধৰি কৌপাতি চাহ বাগিছাত মুক্ত বিচৰণ কৰাৰ লগতে পোহনীয়া ছাগলী নিধন কৰি ত্ৰাসৰ সৃষ্টি কৰিছিল।

oooooooo

আকাশীৰ উদ্যোগত আজিৰে পৰা উনবিংশ তামুলপুৰ গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ বিমল মজুমদাৰে আজি গ্ৰন্থমেলাৰ মুখ্য দ্বাৰ মুকলি কৰে। গ্ৰন্থমেলাৰ আজি প্ৰথম দিনা উদীয়মান কবি প্ৰশান্ত ৰাভাৰ **আৰু হঠাৎ বসন্ত** শীৰ্ষক এখন কবিতা পুথি উন্মোচন কৰা হয়। অনুষ্ঠানত তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

কাছাৰ জিলা প্ৰশাসনে জনসাধাৰণ সুৰক্ষা আৰু আইন-শৃংখলা বৰ্তাই ৰখাৰ উদ্দেশ্যে জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত ততালিকে কাৰ্যকৰী হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিৰ্দেশ জাৰি কৰিছে। দুমাহলৈ বলবৎ হ'বলগীয়া এই নিৰ্দেশ অনুসৰি সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্যোদয়লৈকে জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি বৰাক নদীৰ জলপথ আৰু নৈপৰীয়া অঞ্চলসমূহত চলাচল যাতায়ত আৰু মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে। একেদৰে সীমামূৰীয়া পাঁচ কিলোমিটাৰ এলেকাত নিশাৰ ভাগত চেনি, চাউল, ঘেঁহু আৰু খোৱা তেলকে ধৰি

অত্যাৰশ্যকীয় সামগ্ৰী পৰিবহনতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে চৰকাৰী কামত নিয়োজিত কৰ্মচাৰীসকলক এই নিষেধাজ্ঞাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে।

oooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

oooooooo

সমাপ্ত